NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। ভাৰত আৰু পোলেণ্ডে উভয় দেশৰ মাজৰ সম্পৰ্ক কৌশলগত সহযোগিতালৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

২। সমগ্ৰ দেশত কাইলৈ প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হব।

৩। চি বি আই আৰু কলকাতা আৰক্ষীয়ে কলকাতাৰ এখন চিকিৎসালয়ৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰত আজি উচ্চতম ন্যায়ালয়ত তদন্তৰ স্থিতিৰ প্ৰতিবেদন দাখিল কৰে।

৪। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি জৱাহৰলাল নেহৰু বন্দৰৰ চৌপাশৰ সৌন্দৰ্যবৰ্ধন আৰু পুনৰ উজ্জীৱিতকৰণ প্ৰকল্পৰ উদ্বোধন কৰে।

*আৰু*

৫। অলিম্পিকত দুবাৰকৈ পদক বিজেতা নীৰজ চোপ্ৰাই আজি নিশা ছুইজাৰলেণ্ডত অনুষ্ঠিত লুজান ডায়মণ্ড লীগ প্ৰতিযোগীতাৰ পুৰুষৰ জেভলীন থ্ৰোত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০০

ভাৰত আৰু পোলেণ্ডে উভয় দেশৰ মাজৰ সম্পৰ্ক কৌশলগত সহযোগিতালৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। পোলেণ্ডৰ ৰাজধানী ৱাৰশ্ব'ত আজি দেশখনৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টাস্কৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হোৱাৰ পাছত এটা প্ৰেছ বিবৃতিযোগে শ্ৰী মোদীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, এই বছৰতে দেশ দুখনে পাৰস্পৰিক কূটনৈতিক সম্পৰ্কৰ ৭০ সংখ্যক বাৰ্ষিকী উদযাপন কৰিব। ভাৰত আৰু পোলেণ্ডৰ সম্পৰ্ক গণতন্ত্ৰ আৰু আইনৰ বিধিৰ দৰে উমেহতীয়া প্ৰমূল্যৰ ওপৰত নিৰ্ভৰশীল বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে, ৪৫ বছৰৰ পাছত এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীয়ে পোলেণ্ড ভ্ৰমণ কৰাৰ পৰিপ্ৰেক্ষিতত আজিৰ দিনটোৱে দুয়োখন দেশৰ সম্পৰ্কৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব বহন কৰিছে। ২০২২ চনত ইউক্ৰেইনত উদ্ভৱ হোৱা পৰিস্থিতিৰ সময়ত পোলেণ্ডে ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলক উদ্ধাৰৰ ক্ষেত্ৰত কৰা সহায় দেশখনে কেতিয়াও নাপাহৰে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। দেশ দুখনে আন্তঃৰাষ্ট্ৰীয় মঞ্চত নিকট সমন্বয়ৰে অগ্ৰসৰ হৈছে বুলিও তেওঁ কয়। ইপিনে গোলকীয় প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ বাবে ৰাষ্ট্ৰসংঘ আৰু অন্য আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ সংস্কাৰ সাধন কৰাটো সময়ৰ দাবী হিচাপে চিহ্নিত হৈছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ পোলেণ্ডৰ কোম্পানীসমূহক বিশ্ববাসীৰ বাবে সামগ্ৰী উৎপাদন কৰিবলৈ ভাৰতৰ মেক ইন ইণ্ডিয়া অভিযানত যোগ দিয়াৰ বাবে আহ্বান জনায়। তেওঁ কয় যে, অহা বছৰ জানুৱাৰীত পোলেণ্ডে ইউৰোপীয় সংঘৰ অধ্যক্ষতাৰ দায়িত্ব গ্ৰহণ কৰিব। পোলেণ্ডৰ সমৰ্থনে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাত সহায় কৰিব বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে যিকোনো

বিপৰ্যয়ত নীৰীহ লোকৰ প্ৰাণনাশ সমগ্ৰ মানৱজাতিৰ বাবে বৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে। ইউক্ৰেইন আৰু পশ্চিম এছিয়াৰ সংঘৰ্ষ সকলোৰে বাবে উদ্বিগ্নতাৰ বিষয় বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, ভাৰতে যুদ্ধৰ জৰিয়তে কোনো সমস্যা সমাধান কৰিব পৰা নাযায় বুলি দৃঢ়ভাৱে বিশ্বাস কৰে।

বৈঠকত প্ৰধানমন্ত্ৰী মোদী আৰু টাস্কে দ্বিপাক্ষীক সম্পৰ্কৰ পৰ্যালোচনা চলায় আৰু ভালেমান বিষয়লৈ আলোচনা কৰে। পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ডোনাল্ড টাস্কে কয় যে, ভৌগোলিক ব্যৱধান, ভিন্ন পৰম্পৰা আৰু ইতিহাস সত্বেও দুয়োখন দেশে পৰস্পৰক ভালদৰে বুজি পায়। তেওঁ কয় যে, সমগ্ৰ বিশ্বই গণতান্ত্ৰিক চৰকাৰৰ বাবে ভাৰতবৰ্ষক প্ৰশংসা কৰে। ভাৰতবৰ্ষই জনাদেশ অনুসৰি চৰকাৰ নিৰ্বাচিত হয় বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ পূৰ্বে ৱাৰশ্ব'ত প্ৰধানমন্ত্ৰীক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। প্ৰধানমন্ত্ৰীয়ে পোলেণ্ডৰ হকে প্ৰাণ আহুতি দিয়া অজ্ঞাত সৈনিকৰ স্মাৰক শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। শ্ৰী মোদীয়ে পোলেণ্ডৰ ৰাষ্ট্ৰপতি আণ্ড্ৰেজ ডুতাকো সাক্ষাৎ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দ্বিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ আমন্ত্ৰণ মৰ্মে ইউক্ৰেইনত উপস্থিত হ'ব। এয়া হ'ব ১৯৯২ চনত দ্বিপাক্ষিক সম্পৰ্ক আৰম্ভ হোৱাৰ পাছৰে পৰা কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম ইউক্ৰেইন ভ্ৰমণ। কীভত প্ৰধানমন্ত্ৰী মোদী ৰাজনীতি, ব্যৱসায়, অৰ্থনীতি, বিনিয়োগ, শিক্ষা, সংস্কৃতি, জনসম্পৰ্ক আৰু মানৱীয় সাহায্যকে ধৰি বিভিন্ন দ্বিপাক্ষিক বিষয় লৈ আলোচনা কৰিব। শ্ৰীমোদীয়ে লগতে শিক্ষাৰ্থীসহ ভাৰতীয় সম্প্ৰদায়ৰ লোকৰ সৈতে মত বিনিময়ো কৰিব। প্ৰধানমন্ত্ৰীৰ এই ঐতিহাসিক ইউক্ৰেইন ভ্ৰমণে দ্বিপাক্ষিক সম্পৰ্কৰ প্ৰসাৰত সহায় কৰিব।

০০০০০০০

সমগ্ৰ দেশত কাইলৈ প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হব। যোৱা বছৰ এই দিনটোতে চন্দ্ৰযান -৩ অভিযানৰ বিক্ৰম নামৰ লেণ্ডাৰ যানখনে চন্দ্ৰপৃষ্ঠত নিৰাপদ আৰু মসৃণ অৱতৰণ কৰিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ ভাৰত মণ্ডপমত হবলগীয়া এই দিৱসৰ মূল অনুষ্ঠান মুকলি কৰিব। এইবেলি এই দিৱসৰ মূল বিষয়বস্তু হৈছে Touching Lives while Touching the Moon: India's Space Saga অৰ্থাৎ চন্দ্ৰপৃষ্ঠৰ লগতে জীৱনকো স্পৰ্শ কৰা ঃ ভাৰতৰ মহাকাশ যাত্ৰা। সমাজ আৰু প্ৰযুক্তিৰ ওপৰত মহাকাশ অন্বেষণৰ গভীৰ প্ৰভাৱত গুৰুত্ব আৰোপ কৰি এই বিষয়বস্তু বাছনি কৰা হৈছে।

মহাকাশ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কালি নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি কয় যে এয়া প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস হব আৰু এয়া অকল উদযাপনৰে দিন নহয় বৰং আত্মানুসন্ধান আৰু ভৱিষ্যতৰ বাবে কাৰ্যপন্থা যুগুতোৱাৰ দিন। ড০ সিঙে কয় যে, মহাকাশ অৰ্থব্যৱস্থা অহা ১০ বছৰত ৫ গুণ বৃদ্ধি পাই ৪ হাজাৰ ৪শ কোটি ডলাৰ হোৱাৰ সম্ভাৱনা আছে।

আমাৰ সংবাদদাতাই জনাইছে যে বিগত এটা মাহত ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপনৰ অৰ্থে দেশজুৰি এহেজাৰৰো অধিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ অংশ হিচাপে ভাৰতীয় মহাকাশ হেকাথনৰ আৰু ইছৰো ৰবটিকছ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল।

০০০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আই আৰু কলকাতা আৰক্ষীয়ে  কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ এগৰাকী আবাসীক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰত আজি উচ্চতম ন্যায়ালয়ত তদন্তৰ স্থিতিৰ প্ৰতিবেদন দাখিল কৰে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় আৰু ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু মনোজ মিশ্ৰক লৈ গঠিত এখন বিচাৰপীঠে গোচৰটোৰ শুনানি গ্ৰহণ কৰি প্ৰতিবাদৰত চিকিৎসকসকলক কামলৈ উভতি যাবলৈ আহ্বান জনায়। বিচাৰপীঠখনে কয় যে, বৰ্তমানৰ প্ৰতিবাদ কাৰ্যসূচীয়ে জনস্বাস্থ্য ব্যৱস্থাত গুৰুতৰ প্ৰভাৱ পেলাব পাৰে। স্বাস্থ্যকৰ্মীসকলৰ কেইবাটাও সংস্থাই গোচৰটোৰ ক্ষেত্ৰত ৰায়দান বিচাৰি সৰ্বোচ্চ ন্যায়ালয়ৰ ওচৰত হস্তক্ষেপৰ আবেদন দাখিল কৰিছে। গোচৰটোৰ পূৰ্বৰ শুনানিৰ সময়ত সৰ্বোচ্চ ন্যায়ালয়ে চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলৰ সুৰক্ষাৰ বিষয়টো চাৰিজাৰি চোৱাৰ লগতে মহিলাসকলৰ বিৰুদ্ধে সংঘটিত হিংসা ৰোধ কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰাকে ধৰি বিভিন্ন নিৰ্দেশ দিছিল।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি জৱাহৰলাল নেহৰু বন্দৰৰ চৌপাশৰ সৌন্দৰ্যবৰ্ধন আৰু পুনৰ উজ্জীৱিতকৰণ প্ৰকল্পৰ উদ্বোধন কৰে আৰু বন্দৰটোত কেইবাটাও আন্তঃগাঁথনি আৰু উন্নয়নমূলক উদ্যমৰ পৰ্যালোচনা চলায়। শ্ৰী সোণোৱালে অঞ্চলটোৰ পাৰিপাৰ্শ্বিক সন্তুলন ৰক্ষাৰ উদ্দেশ্যে তিনিটা গুৰুত্বপূৰ্ণ জলনিকায়ো উদ্বোধন কৰে। অনুষ্ঠানত শ্ৰী সোণোৱালে জৱাহৰললাল নেহৰু বন্দৰ প্ৰাধীকৰণৰ ই-নীলামৰ সপ্তম পৰ্যায়ৰ বাবে অভিপ্ৰায় পত্ৰ জাৰি কৰে। মন্ত্ৰীগৰাকীৰ উপস্থিতিত দুখন গুৰুত্বপূৰ্ণ চুক্তিত স্বাক্ষৰিত হয়।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে পি আই বি গুৱাহাটীৰ সহযোগত আয়োজন কৰা অলিম্পিক কুইজৰ বিজয়ীসকলক আজি পুৰস্কৃত কৰা হয়। পুৰষ্কাৰ বিতৰণ অনুষ্ঠানত পি আই বিৰ উত্তৰ-পূৰ্বাঞ্চলৰ সঞ্চালক প্ৰধান কে সতীশ নম্বুদিৰীপদ, অতিৰিক্ত সঞ্চালক প্ৰধান জেন নেমচু, আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালক প্ৰধান আৰ চি বড়োৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। এই প্ৰতিযোগিতাত  কামৰূপৰ বিহদিয়াৰ সঞ্জয় কৃষ্ণ, গুৱাহাটীৰ জটিয়াৰ অৰূপ কলিতা, কামৰূপৰ ৰঙিয়াৰ ছৈয়দ নজৰুল ইছলাম, গুৱাহাটীৰ ফাঁচী বজাৰৰ উৎপল দাস আৰু নলবাৰীৰ ধমধমাৰ ছৈয়দ নবী উল্লাহে পুৰস্কাৰ লাভ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে কাইলৈ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

অলিম্পিকত দুবাৰকৈ পদক বিজেতা নীৰজ চোপ্ৰাই আজি  নিশা ছুইজাৰলেণ্ডত অনুষ্ঠিত লুজান ডায়মণ্ড লীগ প্ৰতিযোগীতাৰ পুৰুষৰ জেভলীন থ্ৰোত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই শিতানৰ খেল ভাৰতীয় সময় অনুসৰি নীশা প্ৰায় ১২ বাজি ১০ মিনিটত আৰম্ভ হ'ব। পেৰিছ অলিম্পিকত ৰূপৰ পদক বিজেতা ২৬ বছৰীয়া খেলুৱৈগৰাকীয়ে পেৰিছ অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা এণ্ড্ৰাৰ্ছন পিটাৰ্ছ আৰু টকিঅ' অলিম্পিকত ৰূপৰ পদক বিজেতা জাকুব ভদলেখৰ পৰা প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। অৱশ্যে   পেৰিছ অলিম্পিকত সোণৰ পদক বিজেতা আৰ্শাদ নদীমে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা নাই।

০০০০০০০

সমাপ্ত